# মধুস্মৃতি

দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ২০২০-২৩ বৰ্ষৰ
ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় সভাৰ লগত
সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ

সম্পাদক
মানস গগৈ

**Madhusmriti** : A Souvenir published by **Department of Assamese, Duliajan College** on the occasion of farewall of 6th semester honours students, Edited by **Manash Gogoi.** DTP at Kalpadrum Print and Publication, Duliajan and printed at anwesha printers, Duliajan (Assam), 786602.

| | | |
|---|---|---|
| উপদেষ্টামণ্ডলী | ঃ | ফুলজ্যোতি শইকীয়া |
| | | ড° মুন্‌মী কোঁৱৰ |
| | | ড° ববী দাউদুং লাংঠাছা |
| | | ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই |
| তত্ত্বাৱধায়ক আৰু বিভাগীয় মুৰব্বী | ঃ | ড° চিত্ৰজিৎ শইকীয়া |
| সম্পাদক | ঃ | মানস গগৈ |
| সহযোগী সম্পাদক | ঃ | বিতু বুঢ়াগোহাঁই |
| সদস্য | ঃ | বাস্তৱ বড়া, দিপশিখা সোণোৱাল |
| বেটুপাত সজ্জা | ঃ | ইণ্টাৰনেটৰ সৌজন্যত |
| প্ৰকাশক | ঃ | অসমীয়া বিভাগ, দুলীয়াজান মহাবিদ্যালয় |
| প্ৰকাশ কাল | ঃ | এপ্ৰিল, ২০২৩ |
| ডি. টি. পি./অলংকৰণ | ঃ | কল্পদ্ৰুম প্ৰিণ্ট এণ্ড পাব্লিকেচন |
| | | দুলীয়াজান, ফোন নম্বৰ ঃ ৬০০২১৯৩৮৩৩ |
| মুদ্ৰণ | ঃ | অন্বেষা প্ৰিণ্টাৰ্চ |
| | | বি.অ'.চি. গেট, দুলীয়াজান |




# সম্পাদকীয়



## এক পৰিকল্পনাৰ বাস্তৱ ৰূপ

সময়ৰ লগে লগে সকলোৰে পৰিৱৰ্তন হৈছে। মানুহৰ চিন্তা, অনুভৱ-অনুভূতি, বোধৰ লগতে সেইবোৰৰ প্ৰকাশৰ মাধ্যম, তাৰ প্ৰয়োগ, কৌশল আদিও সলনি হৈছে। সময়ৰ পৰিৱৰ্তনৰ এই স্তৰ বা ঢাপখিনি ইটোৰপৰা সিটো বিচ্ছিন্ন নহয়, বৰং পাৰ্থক্য উলিয়াব নোৱাৰাকৈ অবিচ্ছিন্ন আৰু সম্পৃক্ত। ভাষা আবিষ্কাৰৰপৰা বৰ্তমানৰ সামাজিক মাধ্যম (চ'চিয়েল মিডিয়া)ৰ পৰ্যায়লৈকে মানুহে স্মৃতি আৰু অভিজ্ঞতাখিনিক নানান চিন্তা স্ৰোতেৰে প্ৰবাহিত কৰাই আনিছে। মৌখিকৰপৰা আৰম্ভ কৰি লিখিত ৰূপৰ নানান স্তৰেদি আৰু গ্ৰন্থৰ ঐতিহ্যৰ মাজেৰে আহি আজিৰ ডিজিটেল মাধ্যমত উপনীত হৈছেহি। মানুহে এই পৰিৱৰ্তনৰ ধাৰক আৰু বাহকৰূপে ভূমিকা পালন কৰি আহিছে। বহু প্ৰাণীয়ে সমাজ পাতি বসবাস কৰিলেও মানুহেই একমাত্ৰ জীৱ যি স্মৃতি আৰু চেতনাৰ অনন্য অনুভৱেৰে জীৱন উপভোগ আৰু উদ্‌যাপন কৰিব পাৰে।

উচ্চ শিক্ষা গ্ৰহণৰ বাবে এখন শিক্ষানুষ্ঠানৰপৰা বিদায় লৈ আন এখন শিক্ষানুষ্ঠানলৈ যোৱাটো পূৰ্বৰেপৰা চলি অহা এক প্ৰকৃতিৰ নিয়ম বুলিব পাৰি যাক কোনেও সলাব নোৱাৰে। বিদায়ৰ পাছৰপৰাই সকলোৰে নিজৰ সপোনবোৰ দিঠকত পৰিণত কৰিবলৈ ব্যস্ত হৈ পৰে। ইজনে আনজনৰ খবৰ ল'বলৈ সময় নোহোৱা হয়। এনেকৈয়ে সকলোৰে নিজৰ কলেজীয়া জীৱনৰ কথা লাহে লাহে পাহৰি যাবলৈ বাধ্য হয় আৰু জীৱনৰ কোনোবা এটা মুহূৰ্তত মধুৰ স্মৃতিবোৰলৈ মনত পেলায়। কিন্তু সকলোবোৰ কথা মনলৈ অনাটো সম্ভৱ নহয়। সেয়েহে বিদায় লোৱা শিক্ষানুষ্ঠানখনৰ লগত ছাত্ৰ ছাত্ৰীসকলৰ জড়িত হৈ থকা স্মৃতি আৰু অভিজ্ঞতাসমূহ প্ৰকাশ কৰি এখনি স্মৃতিগ্ৰন্থৰ সহায়ত সংৰক্ষণ কৰি ৰাখিবলৈ এক নতুন চিন্তাৰে

অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী অধ্যাপক ড° চিত্ৰজিৎ শইকীয়া ছাৰে পৰিকল্পনা কৰে। যি পৰিকল্পনাক বাস্তৱ ৰূপত পৰিণত কৰিবলৈ তেখেতৰ দিহা পৰামৰ্শৰ লগতে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত 'মধুস্মৃতি' নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে। যাৰ জৰিয়তে ষষ্ঠ ষাণ্মাসিকৰ বিদায়ী ছাত্ৰ ছাত্ৰীসকলৰ সম্পূৰ্ণ ঠিকনাসমূহ সংগ্ৰহ কৰি অনাগত দিনত তেওঁলোকৰ লগত সহজে যোগাযোগ কৰিব পৰাকৈ লগতে কলেজীয়া জীৱনৰ শেষ পৰ্যায়ত মনত ফুটি উঠা আৱেগ-অনুভূতি আৰু তেওঁলোকৰ চিৰস্মৰণীয় স্মৃতিসমূহৰ কিছু মুহূৰ্ত এই গ্ৰন্থখনৰ জৰিয়তে সংৰক্ষণ কৰিবলৈ চেষ্টা কৰা হৈছে।

আমি আশা কৰিছোঁ, দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এই কিঞ্চিৎ প্ৰ[illegible] বিদায়ী ছাত্ৰ-ছাত্ৰীসকলক কলেজীয়া জীৱনত অংকুৰিত হোৱা স্মৃতিসমূহ [illegible]ৰ কৰি ৰাখিবলৈ খুদকণ এটাৰ সমান হ'লেও অৰিহণা যোগাব।

শেষত, 'মধুস্মৃতি'ৰ এই প্ৰথম সংখ্যাৰ সৌষ্ঠৱ বৃদ্ধি কৰাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে কলেজীয়া জীৱনৰ স্মৃতিৰ লগতে নিজৰ অভিজ্ঞতাজড়িত বিবিধ ৰচনাৰে অৰিহণা আগবঢ়ালে তেওঁলোকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। তদুপৰি স্মৃতিগ্ৰন্থখনৰ তত্বাৱধায়ক তথা অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী অধ্যাপক ড° চিত্ৰজিৎ শইকীয়াদেৱকে প্ৰমুখ্য কৰি স্মৃতিগ্ৰন্থখনৰ উপদেষ্টামণ্ডলী আৰু আলোচনীখনৰ বিভিন্ন দিশত সহায় আগবঢ়োৱা অনুজ বিতু (সহযোগী সম্পাদক)ৰ লগতে জড়িত সকলো সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰি অগ্ৰজসকলৰ স্মৃতি সম্বলিত স্মৃতিগ্ৰন্থখনৰ প্ৰথম সংখ্যাটি সকলোৰে হাতত অৰ্পণ কৰিলোঁ।

মানস গগৈ



# স্মৃতিৰ কৰণিত

চয়নিকা কুৰ্মী, ষষ্ঠ ষাণ্মাসিক

পল পল দণ্ড কৰি
সময় যায় যে উৰি,
পাখি লগা কাঁড়ৰ দৰে
এক অবিৰাম গতিত।

সময়ৰ পাখি লগা কাঁড়ৰ দৰে, ই কাৰো বাবে অপেক্ষা নকৰে। ই নিৰবধি ৰূপত আগবাঢ়ি যায়। এটা দুটাকৈ তিনিটা বছৰ কটালো এই মহাবিদ্যালয়ত, পিছে এতিয়া বিদায়ৰ বেলা সমাগত। মহাবিদ্যালয়ত মই কিমান দিব পাৰিছোঁ ক'ব নোৱাৰো, কিন্তু মহাবিদ্যালয়খনৰ পৰা শিকিবলগীয়া, পাবলগীয়া বহুতো পালো।

২০২০ চনৰ ২ নৱেম্বৰ, মহাবিদ্যালয়ত মোৰ প্ৰথমটো দিন। প্ৰথমে মহাবিদ্যালয় বুলি ভাবিলেই মোৰ মনত এসোপা চিন্তাই টোপোলা বান্ধিছিল। কিন্তু অহাৰ পৰত অগ্ৰজ দাদা বাইদেউ তথা শিক্ষাগুৰু সকলৰ পৰা সহায়-সহযোগিতা পাই মনত থকা শংকা দূৰ হৈছিল। নতুনকৈ মহাবিদ্যালয় পথৰ যাত্ৰী হোৱাত কোনো দোমোজাত পৰা নাছিলোঁ। ২০১৯ চনৰ শেষৰফালে হোৱা ক'ভিদ মহামাৰীয়ে আমাৰ মহাবিদ্যালয় জীৱনৰ প্ৰথমাৱস্থাত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। যাৰ ফলত আমি প্ৰথম পাঠদানৰ স্বাদ লৈছিলো অনলাইন মাধ্যমৰ যোগেদি। লগতে প্ৰথম ষাণ্মাসিকৰ পৰীক্ষাও অনলাইন মাধ্যমেৰে দিছিলো। তথা মহাবিদ্যালয় বন্ধ হোৱাৰ হেতুকে দ্বিতীয় ষাণ্মাসিকৰ পাঠদানো অনলাইন হৈছিল আৰু পৰীক্ষাও অনুষ্ঠিত হোৱা নাছিল।

মহাবিদ্যালয় খোলাৰ প্ৰথম দিনাৰ প্ৰথম পিৰিয়ড আছিল ফুলজ্যোতি বাইদেউৰ। তাৰ পাছতে আইচেনা বাইদেউ, চিত্ৰজিৎ ছাৰ, মুনমী বাইদেউ, ববী বাইদেউ তথা বিদ্যাৱতী বাইদেউৰ ক্লাছ কৰিছিলোঁ। প্ৰথমে সকলোৰে মুখামুখি হ'বলৈ ভয় লাগিছিল, লগতে মনত শ্ৰদ্ধা আছিল। সকলো শিক্ষাগুৰুৰ পৰা বহুতো মৰম আশিসৰ লগতে জীৱনযুদ্ধত আগবাঢ়ি যাবলৈও প্ৰেৰণা পাইছিলো। তেওঁলোকৰ বহুমূলীয়া শিক্ষাৰ জৰিয়তে বহুদূৰ আগবাঢ়িব পাৰিছো। ড° চিত্ৰজিৎ শইকীয়া ছাৰৰ শিক্ষাদানৰ শৈলীয়ে মোক বিশেষভাৱে

আকৰ্ষিত কৰিছিল। শিক্ষাজগতৰ লগতে বৰ্তমানৰ সমাজ জীৱনত আমি নিজকে কিদৰে আগবঢ়াই নি শ্ৰেষ্ঠ কৰি তুলিব পাৰো; তাৰ বাবে এক নতুন দৃষ্টিভংগী লাভ কৰিবলৈ সক্ষম হৈছোঁ। ফুলজ্যোতি শইকীয়া বাইদেউৰ মৰম তথা শিক্ষাৰ লগত জড়িত কথাবোৰেও আমাক অনুপ্ৰাণিত কৰিছিল। ড° মুনমী কোঁৱৰ বাইদেউৰ কোনো বিষয়ক শিকোৱা বা বুজোৱা পদ্ধতিয়ে আমাক সহজে বুজি উঠাত সহায় কৰিছিল। ৰবী বাইদেউৰ মৰমবোৰো আমি কেতিয়াও পাহৰিব নোৱাৰো। শেহতীয়াকৈ 'ভাষা'ৰ বিষয়ে শিক্ষা দিয়া ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই ছাৰৰো পঢ়োৱাৰ বিভিন্ন কৌশলৰ বাবে আমি উপকৃত হ'ব পাৰিছিলো। মুঠৰ ওপৰত প্ৰত্যেকজন শিক্ষাগুৰুৰ প্ৰভাৱ মোৰ জীৱনত আছে। পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ সান্নিধ্য পাই ধন্য মানিছো। মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। মোৰ প্ৰতেকজ্জন গুৰুলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে, আপোনাসৱৰ আশিস সদায় মোৰ লগ[illegible]কিব বুলি আশা ৰাখিছো।

২০২৩ চনৰ ৮ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা 'মহাবিদ্যালয় সপ্তাহ'ৰ এক স্মৃতিয়ে মোৰ মনত বাৰুকৈয়ে ৰেখাপাত কৰিছে। এই বাৰ্ষিক ক্ৰীড়া বিকাশ সপ্তাহৰ প্ৰথম দিনাই হৈছিল শোভাযাত্ৰা। তাৰ পাছত এটি দুটিকৈ প্ৰায় সকলোবোৰ অনুষ্ঠান শেষ হোৱাৰ পাছত অৱশেষত আমাৰ মাজলৈ সুখৰ দিনটো আহিল। ১৪ ফেব্ৰুৱাৰী, গা বেয়া যদিও শ্ৰেষ্ঠ বিভাগ হোৱাৰ খবৰটো পাই সকলোৰে লগত কলেজলৈ গ'লো সিদিনাই আহিল আমাৰ বাবে মহাবিদ্যালয়ৰ আটাইতকৈ সুখৰ দিনটো। মহাবিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠ বিভাগৰ খিতাপ পাই পৰম আনন্দ লাভ কৰিলো।

এনেদৰে বিভিন্ন ফুৰ্তি, কাজিয়া, আড্ডাৰ লগতে শিক্ষা জীৱনৰো বিভিন্ন স্মৃতি মাথোঁ মনত ৰাখি এতিয়া মেলানি মাগিবৰ হ'ল। 'বিদায়' শব্দটোৱে মনত এক কষ্ট দিছে যদিও নিয়তিৰ নিয়মানুসাৰে পুৰণিৰ বিদায় আৰু নতুনৰ আগমন হ'বই। এই মহাবিদ্যালয়ৰ পৰা ভাল বন্ধু-বান্ধৱী, দাদা-বাইদেউৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছো। প্ৰিয় বন্ধুসকলকো অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। শেষত, দুলীয়াজান মহাবিদ্যালয়ৰ লগতে অসমীয়া বিভাগৰ উত্তৰোত্তৰ মঙ্গল কামনা কৰিছো।

জয়তু দলীয়াজন মহাবিদ্যালয়
জয়তু অসমীয়া বিভাগ



# মহাবিদ্যালয়ৰ পূৰ্বস্মৃতি

আশিক মুণ্ডা, ষষ্ঠ ষাণ্মাসিক

আজি গধূলিৰ
ভৰিৰ ধূলিত
চকুৰ পানীৰে তিতি
আনিছো মনলৈ মোৰ
তোমাৰে সেই
পূৰ্বৰ হিয়া নিয়া স্মৃতি।

শ্ৰদ্ধাৰ শেৱালী কবি ৰত্নকান্ত বৰকাকতিদেৱৰ এই 'পূৰ্বস্মৃতি' নামৰ কবিতাটিৰ শিৰোনামেৰেই মইও মোৰ এই স্মৃতি লেখনিৰ শিৰোনাম 'মহাবিদ্যালয়ৰ পূৰ্বস্মৃতি' বুলি আৰম্ভ কৰিছোঁ। তেখেতৰ এই কবিতাটিৰ শাৰীকেইটাৰে মই দুলীয়াজান মহাবিদ্যালয় আৰু অসমীয়া বিভাগৰ লগত হোৱা পূৰ্বৰ হিয়া নিয়া স্মৃতি আৰু অসমীয়া বিভাগৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মোৰ সহপাঠীসকল আৰু অনুজসকলৰ কথাকেই ক'ব খুজিছো। দুলীয়াজান মহাবিদ্যালয়ত মই ৫ বছৰ শিক্ষা গ্ৰহণ কৰিলোঁ। সেইবাবে মই নিজে নিজকে গৌৰৱ অনুভৱ কৰোঁ। ২০১৮ চনৰ জুন মাহত মই এই দুলীয়াজান মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰিছিলোঁ। এই বৰ্ষটো অতি শুভবৰ্ষ বুলি মই ক'ব খোজো। কাৰণ এই বৰ্ষতে দুলীয়াজান মহাবিদ্যালয়ে এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছিল, সেয়া হৈছে — 'সোণালী জয়ন্তী সমাৰোহ'। মোৰ এই ৫ বছৰীয়া শিক্ষাৰ্থী জীৱনত বহু ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অগ্ৰজসকল, মোৰ সহপাঠীসকল, অনুজসকল আৰু অনেক অভিভাৱকৰ সান্নিধ্যত হোৱা অভিজ্ঞতাবোৰকে দুই এটা বৰ্ণাই চমু অৱলোকন কৰিব বিচাৰিছোঁ।

মোৰ ছাত্ৰ জীৱনত মহাবিদ্যালয়খনত অধ্যয়ন কৰি থকা সময়ত কিমানবোৰ ঘটনা-পৰিঘটনা ঘটি গৈছে তাৰ কোনো হিচাপ নাই। মই উচ্চতৰ মাধ্যমিক শিক্ষা সাং কৰি এইখন মহাবিদ্যালয়তে সন্মান বিষয় হিচাপে অসমীয়া বিভাগত নামভৰ্তি কৰিছিলোঁ। প্ৰথম ষাণ্মাসিকৰ বাৰ্ষিক পৰীক্ষা অনলাইনত দিব লগা হ'ল কাৰণ তেতিয়া সমগ্ৰ বিশ্বত ক'ভিড মহামাৰীৰ ভয়ংকৰ ৰূপ দেখা গৈছিল। দ্বিতীয় ষাণ্মাসিকৰ পাঠদান অনলাইন মাধ্যমতে আৰম্ভ হ'ল। নানান অসুবিধাৰ মাজতে শিক্ষক-শিক্ষয়িত্ৰীয়ে অনলাইন মাধ্যমত পাঠদান কৰিছিল। আমিও

মনোযোগ দি শুনিছিলো আৰু পাঠদানো চলি থকা সময়ত টোপনি যোৱা কথাটোও সত্য। পাছলৈ দ্বিতীয় ষাণ্মাসিকৰ পৰীক্ষা নহ'ল আৰু আমাক পৰীক্ষা অবিহনে পাছ কৰাই দিলে।

তৃতীয় ষাণ্মাসিক পোৱাৰ লগে লগে ক'ভিড মহামাৰীৰ দুৰাৱস্থা কিছু শাম কাটিল। সেই চলিত বৰ্ষত পুনৰ পাঠদানৰ প্ৰক্ৰিয়া শ্ৰেণীকোঠাতেই অফলাইন মাধ্যমত আৰম্ভ হ'ল। অসমীয়া বিভাগে সৰু-সুৰা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ ললে বিভাগীয় কাম কাজৰ মাজতে অগ্ৰজ তথা দাদা-বাইদেউসকলৰ লগত চিনাকি পৰ্বটো হৈছিল। দাদা-বাইদেউসকলৰ লগত সু-সম্পৰ্ক গঢ়ি উঠিল লগতে বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আত্মীয়তা বাঢ়িল।

মহাবিদ্যালয়ে অনুষ্ঠিত কৰা ২০২১-২২ বৰ্ষৰ প্ৰতিভা বিকাশ সপ্তাহত বিভাগৰ কাৰণে কাম-কাজ কৰি নি[illegible]গৌৰৱ কৰাৰ সৌভাগ্য হৈছিল। প্ৰতিভা বিকাশ সপ্তাহৰ লগত সংগতি ৰাখি বহুতো প্ৰতিযোগিতা হৈছিল। তাৰে দুই এটাত বাদ পৰিব পাৰে সেই প্ৰতিযোগিতাত মইও অংশগ্ৰহণ কৰিছিলোঁ।

শেহতীয়াকৈ হৈ যোৱা ২০২২-২৩ বৰ্ষৰ প্ৰতিভা বিকাশ সপ্তাহত ২য় ষাণ্মাসিক , ৪ৰ্থ ষান্মাসিক আৰু ৬ষ্ঠ ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে মিলি কৰা কষ্ট সাধনাৰ বলত অসমীয়া বিভাগে ২০২২-২৩ বৰ্ষত দুলীয়াজান মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ বিভাগ'ৰ খিতাপ অৰ্জন কৰিলে। বিভাগৰ তিনিওটা ষাণ্মাসিকৰ ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোতিসমূহত অংশগ্ৰহণ কৰি অসমীয়া বিভাগৰ লগতে মহাবিদ্যালয়ৰো সুনাম কঢ়িয়াই আনিলে। মোৰ ছাত্ৰ জীৱনত এই বিলাক স্মৃতিয়ে মোক বিমল আনন্দ দিয়ে। মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিক বিদায় লোৱাৰ পাছতে এইবিলাক স্মৃতি মোৰ মানস পটত ভাহি ৰ'ব।

শ্ৰেণীকোঠাত সহ পাঠীসকল আৰু অনুজসকলৰ লগতে হাঁহি ধেমালিৰে কটোৱা সময়খিনি, ইজনে-সিজনে সহায় কৰা, সঁচাকৈ ভাল লগা সময়খিনি আমি অতিক্ৰম কৰি গৈ আছো। অনাগত দিনবোৰত এইবোৰ কথাই মনক আমোদ প্ৰদান কৰিব।

অসমীয়া বিভাগে আমাক পাঠ্যক্ৰমৰ উপৰিও বিশিষ্ট অধ্যাপক, শিক্ষকসকলক মহাবিদ্যালয়লৈ আমন্ত্ৰিত কৰি তেওঁলোকৰ মূল্যৱান বক্তব্যৰ দ্বাৰা আমাক অনুপ্ৰাণিত কৰিছিল, নতুন নতুন কথা শিকিব পৰা হ'লো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়েও সঁহাৰি জনাইছিল।

মোৰ জীৱনত প্ৰভাৱ পেলোৱা নমস্য শিক্ষাগুৰুসকল হ'ল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ শিক্ষাগুৰুসকল আৰু অন্য বিভাগৰ শিক্ষাগুৰুসকল। তেখেত সকলক সশ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ সহপাঠীসকল আৰু অনুজসকল ধন্যবাদ জ্ঞাপন কৰিছোঁ যিকোনো সৰু-ডাঙৰ বিভাগৰ কাম-কাজৰ ক্ষেত্ৰত আদৰসূচকভাৱে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে।



# একাঁজলি স্মৃতি লৈ

## দানিয়েল ওৰাং, ষষ্ঠ ষাণ্মাসিক

অতীতত এৰি অহা কলেজীয়া জীৱনৰ স্মৃতি আজি মনত পৰিছে। কি যে মধুৰ আছিল সেই দিনবোৰ...! সবাতোকৈ চেনেহৰ দুলীয়াজান মহাবিদ্যালয়ত প্ৰাণোচ্চল সম্ভাৱনাপূৰ্ণ সপোনৰ মায়াজালত বান্ধ খাই থকা জীৱনৰ পাঁচটা বছৰৰ স্মৃতি এটা লেখাতে লিখি পেলোৱাটো সম্ভৱ জানো? মনৰ মাজত বহুতো কথাই একেলগে গুজৰি-গুমৰি উঠিছে। যেন এক প্ৰতিযোগিতাতহে নামি পৰিছে অতীত জীৱনৰ মধুস্মৃতি।

স্মৃতিবোৰ যদিহে হয় যৌৱন কালৰ পৰা অতিবাহিত কৰি অহা কলেজৰ দিনৰ, তেন্তে সেয়া আৰু বেছি ভাল লাগে। এই মুহূৰ্তত সৰ্বপ্ৰথমে সতীৰ্থলৈ আৰু শিক্ষাগুৰুসকলৰ প্ৰতি কিবা এটা লিখিবলৈ মোৰো মন গৈছে। এই দোমোজাৰ মাজত মন উৰা মাৰিছে হেঙুল-হাইতাল বোলোৱা কলেজীয়া দিনৰ সেই বৰ্ণিল সময়লৈ। চকুৰ আগত সজীৱ হৈ ধৰা দিছেহি কলেজীয়া দিনৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ লগতে স্নাতক পৰ্যায়ৰ বিশেষকৈ চেনেহৰ অসমীয়া বিভাগৰ স্মৃতিলৈ। যিবোৰ মোৰ বুকুৰ এফাল।

শিক্ষাগুৰুসকল আৰু সতীৰ্থসকল, অনুজসকলৰ সৰল মুখবোৰ, কলেজৰ মনোৰম পৰিৱেশ, ছাৰ-বাইদেউসকলৰ মৰম সনা কঢ়া শাসন, খোকোজা নলগাকৈ কৰা পাঠদান, বিভাগৰ বিভিন্ন কাম-কাজ, কাৰ্যসূচীত আনন্দ-উল্লাহ কৰা চিৰসেউজ ছবি যি আজীৱন সতেজ-সজীৱ হৈ ৰ'ব মোৰ মানস পটত।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ২০১৮ বৰ্ষত সপোনৰ টোপোলা লৈ মই কলা শাখাত দুলীয়াজান মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। দুটা বছৰত কলেজৰ নীতি-নিয়ম আদি শিকোতেই সময় অতিক্ৰম কৰিলোঁ। সেই সময়ত বন্ধু হিচাপে পাঁচ পাণ্ডৱ বন্ধুক লগ পালো — আশিক, বিশাল, অজয়, অভিষেক আৰু যোচেপ। তেঁওলোকক পাই মই সুখী হৈছিলোঁ। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ মই এইখন মহাবিদ্যালয়তেই অসমীয়া বিষয়ক সন্মান পাঠ্যক্ৰম হিচাবে লৈ নামভৰ্তি কৰিলোঁ। অসমীয়া বিষয়ত সন্মান পাঠ্যক্ৰম মই চিত্ৰজিৎ ছাৰৰ অনুপ্ৰেৰণাত লৈছিলো। অসমীয়া বিভাগৰ তিনিটা বছৰেই যেন মোৰ শিক্ষাৰ্থী জীৱনৰ অন্যতম সুন্দৰ দিন আছিল। বিভাগৰ প্ৰতি শ্ৰদ্ধা, বিভাগৰ যিকোনো কাম-কাজ আমি সকলোৱে মিলি-জুলি কৰিছিলোঁ। নাছিল কোনো

বন্ধন, নাছিল কোনো দুখ। সকলৰে হাঁহি-ধেমালি কৰি জীৱনটোক উপভোগ কৰিছিলোঁ। বিভাগৰ প্ৰতি ভালপোৱা, আন্তৰিক শ্ৰদ্ধা আৰু মৰমবোৰ সদায় মোৰ হৃদয়ত গোলাপৰ পাহিৰ দৰে ফুলি থাকিব।

অসমীয়া বিভাগত আহি মই মোৰ জীৱনটোক চিনি পালো। বহুতো অভিজ্ঞতা, কথা কোৱাৰ অভ্যাস, ডাঙৰক শ্ৰদ্ধা জনোৱা, সৰুৰ প্ৰতি মৰম কৰাৰ যি গুণ সেয়া মই অসমীয়া বিভাগৰ মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ পৰা শিকিলোঁ। ছাৰ-বাইদেউৰ যি আশীৰ্বাদ ইয়াৰ ঋণ মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম।

সাহিত্য জগতখনৰ কথা একো বুজা নাছিল। অসমীয়া বিভাগত আহিয়েই সাহিত্য বিষয়টোৰ কথা ভালকৈ বুজি উঠিলো। সাহিত্যৰ ৰস কেনেকুৱা এয়া লাহে লাহে জানিবলৈ ল'লো। পাঠ্যপুথিৰ শিক্ষাৰ [illegible]ত অন্যান্য শিক্ষাৰ পোহৰ দিয়াত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ বহুতো অৱদান আছে। মোৰ [illegible]ৰ ফুলজ্যোতি বাইদেউ, মুন্মী বাইদেউ, ৰবী বাইদেউ, আইচেনা বাইদেউ, বিদ্যাৱতী বাইদেউ আৰু মোৰ অতিকৈ মৰম লগা পৰম শ্ৰদ্ধাৰ চিত্ৰজিৎ ছাৰৰ অৱদানো অলেখ আছে। শেষৰ সময়ছোৱাত ক্লাছত লগ পোৱা লক্ষ্যজিৎ ছাৰৰো অলপ হ'লেও কিছু অৱদান আছে। তেওঁলোকৰ বাবে মই আজি নিজকে গঢ় দিব পাৰিছোঁ তথা নিজকে চিনিব পাৰিছোঁ। লগতে মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকলেও মোৰ সপোনক আগবঢ়াই নিয়াত বহুতো সহায় কৰি আহিছে, সেইবাবে সকলোকে মই মোৰ হৃদয়ৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে অনুজসকলোকো মই মোৰ হৃদয়ৰ পৰা আগন্তুক কলেজীয়া জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

শেষত, সতীৰ্থসকল মোৰ জীৱনত সদায়ে এক মধুময় ৰস হিচাপে বৈ থাকিবা। তোমালোকৰ লগত কটোৱা সময়খিনি সদায়েই মনত পৰি থাকিব। বিশেষকৈ যোচেপ, আশিক, জিন্টু, চয়নিকা, নিহাৰিকা, অনুৰাগ, সাগৰিকা, সুৰভী, চেতনা, কৰবী, ৰশ্মি, সবিতা, ৰূপালী, লিনা, বিশ্বজিৎ, ৰাজীৱ, কৃষ্ণা, স্বৰ্ণালী, ডেইজী, ৰিতামণি।

স্মৃতিৰ পাতত সজীৱ হৈ থকা কথাবোৰ কম পৰিসৰত লিখি শেষ কৰিব নোৱাৰি। বোৱতী নদীৰ পানীৰ দৰে কলমে নিগৰিব খোজে অলেখ স্মৃতি। ৰঙৰ আবিৰ বোলোৱা সেই মধুময় দিনৰ স্মৃতি। মোৰ আজৰি সময়ৰ একান্ত সহচৰ। অসমীয়া বিভাগৰ স্মৃতিৰ যোগেদিয়েই মোৰ কলেজীয়া দিনৰ সকলো সতীৰ্থলৈ অফুৰন্ত মৰম আৰু শিক্ষাগুৰুসকললৈ প্ৰণাম জনালোঁ।



# মহাবিদ্যালয়ৰ কিছু স্মৃতি

**যোচেপ চাংগা, ষষ্ঠ যাণ্মাসিক**


জ্ঞানেই মানুহৰ শ্ৰেষ্ঠ সম্পদ আৰু সেই জ্ঞানে মানুহক পাৰ্থিৱ জীৱনত সাহস আৰু সামৰ্থৰে ভৰি দিবলৈ অনুপ্ৰেৰণা যোগায়। এনে উচ্চ জ্ঞানৰ বীজ অংকুৰণ হয় মোৰ জ্ঞানৰ মন্দিৰ দুলীয়াজান মহাবিদ্যালয়খনত। এইখন মহাবিদ্যালয়ত মোৰ পাঁচটা বছৰ সম্পূৰ্ণ হৈছে গৈ মাত্ৰ আৰু কেইটামান দিনহে বাকী আছে। এইখন জ্ঞানৰ মন্দিৰ তথা মহাবিদ্যালয়খনত মোৰ যাত্ৰা আৰম্ভ হৈছিল ২০১৮ চনত। বৰডুবি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মই দুলীয়াজান মহাবিদ্যালয়তে একাদশ শ্ৰেণীত 'কলা' শাখাৰ ছাত্ৰ হিচাপে নাম ভৰ্তি কৰি দুটা বছৰ অতিক্ৰম কৰি অৰ্থাৎ ২০২০ চনত দ্বাদশ শ্ৰেণী পৰীক্ষাত উত্তীৰ্ণ হৈ মই অতিকৈ ভাল পোৱা 'অসমীয়া' বিষয়টোক সন্মান বিষয় হিচাপে লৈ স্নাতক মহলাত নামভৰ্তি কৰিলোঁ। মনকৰিবলগীয়া কথাটো হৈছে যে প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীয়েই স্নাতক মহলাত কোনটো বিষয়ক সন্মান বিষয় হিচাপে লৈ পঢ়িব তাক দ্বাদশ শ্ৰেণীৰ পৰীক্ষা পাছ কৰাৰ পিছতহে নিৰ্বাচন কৰে, কিন্তু মই বিষয়টো একাদশ শ্ৰেণীত পঢ়ি থকা সময়তে নিৰ্বাচন কৰি লৈছিলোঁ। কাৰণ মই এই বিষয়টোক অতিকৈ ভালপাওঁ। তদুপৰি এই বিষয়টো বাচি লোৱাৰ আন এটা কাৰণো আছে, কাৰণটো হৈছে — যেতিয়া মই এইখন মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ তেতিয়া মই মহাবিদ্যালয়ৰ আন বিভাগবোৰৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ভিতৰত অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পাঠদানৰ প্ৰতিও আকৰ্ষিত হৈ অসমীয়া বিষয়টো বাচি লৈছিলোঁ। স্নাতক মহলাৰ মোৰ তিনিটা বছৰ সম্পৰ্ণ হ'ব গৈ মাজত মাত্ৰ কেইটামান দিন বাকী আছে। সঁচাকৈয়ে এই তিনিটা বছৰ মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব কাৰণ মই অসমীয়া বিভাগৰ ছাত্ৰ তথা সদস্য হিচাপে নিজকে পৰিচয় দিব পাৰিছোঁ। মই ভাবো দুলীয়াজান মহাবিদ্যালয়ৰ যিমানবোৰ বিভাগ আছে, আটাইবোৰ বিভাগতকৈ অসমীয়া বিভাগটোৱে আটাইতকৈ শক্তিশালী বিভাগ আৰু এই কথাষাৰ বিভিন্ন ক্ষেত্ৰত প্ৰযোজ্য হোৱা দেখা যায়। তদুপৰি অসমীয়া বিভাগটো যেন এটি পৰিয়ালৰ দৰে য'ত শিক্ষক-শিক্ষয়িত্ৰীৰ আৰু ছাত্ৰ ছাত্ৰীৰ মাজত এটি মধুৰ সম্পৰ্ক গঢ়ি উঠিছে আৰু এই সম্পৰ্কটো মই কেতিয়াও

নাপাহৰোঁ। ইয়াৰ উপৰিও মোৰ জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব প্ৰতিভা বিকাশ সপ্তাহৰ সময়ছোৱাত পাৰ কৰা দিনবোৰ, কাৰণ সেই সময়ছোৱাত সকলোৱে নিজৰ লগতে বিভাগকো উজলাই তুলিবলৈ সকলোৱে একেলগে মনে প্ৰাণে চেষ্টা কৰিলোঁ আৰু যাৰ ফলস্বৰূপে আমাৰ বিভাগটো শ্ৰেষ্ঠ বিভাগ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ল।

জ্ঞানৰ মন্দিৰ দুলীয়াজান মহাবিদ্যালয়খনত মোৰ যাত্ৰা অন্ত পৰিবৰ সময় হ'ল, কিন্তু মই নিজকে লক্ষ্য কৰোঁ, যেতিয়া মই এইখন মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ তেতিয়া মই এপাহ মৰহি যোৱা ফুলৰ দৰে আছিলোঁ কিন্তু উচ্চজ্ঞানসম্পন্ন মোৰ অতিকৈ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে মোক যিদৰে লালন পালন তথা সাৰ পানীৰ যোগান ধৰিলে বা যি শিক্ষা প্ৰদান কৰি[illegible]ৰ বাবে আজি মই এপাহ ন-কৈ ফুলি উঠা ফুলৰ দৰে সমাজৰ আগত নিজকে পৰিচয় [illegible]ব পাৰিছোঁ। তাৰ বাবে মোৰ অতিকৈ শ্ৰদ্ধাৰ অসমীয়া বিভাগৰ উচ্চ জ্ঞানৰ অধিকাৰী মোৰ শিক্ষাগুৰুসকলক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

দুলীয়াজান মহাবিদ্যালয়ত পাঁচটা বছৰ অতিক্ৰম কৰিলেও প্ৰতিটো মুহূৰ্তৰ কথা মনত ৰখা সম্ভৱ নহয়। কাৰণ ঈশ্বৰে যিদৰে মনত ৰখাৰ শক্তি দিছে ঠিক সেইদৰে পাহৰি যোৱাৰো শক্তি দিছে। শিক্ষাগুৰুসকল আৰু মোৰ মৰমৰ অনুজসকল তথা কলেজীয়া জীৱনৰ যি মনোৰম সময় এই সময় সদায় মোৰ জীৱনৰ এটি চিৰস্মৰণীয় স্মৃতি হৈ ৰ'ব।

**স্মৃতিৰ পাপৰি**





# পাহৰিব নোৱৰা দিনবোৰ

**কৰবী ডেকা, ষষ্ঠ ষাণ্মাসিক**

বহুতো তিতা মিঠা অভিজ্ঞতাৰ মাজেৰে এই তিনি বছৰীয়া কলেজীয়া জীৱনটো কেনেকৈ পাৰ হ'ল গমকে নাপালো। বহুতৰ বাবে এইয়া অন্তিম। ইয়াৰ পাছত ভয় নাই পৰীক্ষাৰ। চেচনেল, এচাইণ্টমেনৰ কাৰণে ৰাতি ৰাতি টোপনি ক্ষতি কৰিব নালাগে। দুদিন পিছৰ পৰা যাব লাগিব অন্য কৰ্মক্ষেত্ৰলৈ, কলেজলৈ আহিব বিচাৰিলেও আহিবলৈ সুবিধা নাপাম।

ক'ভিডৰ ভয়াবহ পৰিস্থিতিৰ মাজেৰে উচ্চ শিক্ষাৰ বাবে অলেখ সপোন বকুত বান্ধি লৈ এই মহাবিদ্যালয়ত নাম লগাইছিলো। অসমীয়া বিষয়টোত সন্মান বিষয় হিচাপে নাম দিছো হয়, লিষ্টত নাম ওলাব জানো বুলি ভয় এটা আছিল। প্ৰথত অৱস্থাত সকলোকে অনলাইন ক্লাছতে লগ পাই চিনাকী হৈছিলো। কাহানিও নাম নুশুনা গুগল মিটত আমাৰ ক্লাচবোৰ আৰম্ভ হৈছিল। এদিনত তিনিটাকৈ ক্লাছ কৰিছিল। কিমানদিন ক্লাছ কৰি থাকোঁতে শুই যাঁও গমেই নাপাওঁ। সেই সময়ত সকলোৱে লগত চিনাকী হৈছিলো হোৱাটচাপৰ জৰিয়তে, চিনাকী হৈ ইজনীয়ে আনজনীৰ ফটো ষ্টেটাছত দিছিলো। প্ৰথমতে কোন কেনেকুৱা গম পোৱা নাছিলো এতিয়া সকলোৱে লগত ফুৰ্তি কৰি থাকোতে কলেজীয়া জীৱনটোয়ে শেষ। এদিন কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ছাৰ-বাইদেউ, বন্ধু-বান্ধৱীসকলক বিদায় দি এই মহাবিদ্যালয়লৈ আহিছিলো। এতিয়া এই মহাবিদ্যালয়ৰ পৰাও ছাৰ-বাইদেউসকল, লগৰ সমনীয়াৰ পৰাও বিদায়ৰ সময় কাষ চাপি আহিছে।

চিত্ৰজিৎ শইকীয়া ছাৰৰ কথা বেলেগৰ মুখত শুনি শুনি ছাৰক কল্পনাই কৰি লৈছিলো যে মানুহজন সঁচাকৈ বহুত খঙাল কিজানি। এতিয়া বুজিব পাৰিছো তেঁও সঁচাকৈ বৰ মৰমীয়াল, যি কয় সকলো খোলা কয়। তেঁওৰ পৰা সেই গুণটো আয়ত্ত কৰিলো।

ফুলজ্যোতি বাইদেউ, ববী বাইদেউ আৰু মুন্মী বাইদেউ কথাবোৰ যে আপোনালোকে ইমান ধুনীয়াকৈ বুজাই দিয়ে। আৰু এজনী বাইদেউ পাইছিলো বিদ্যাৰতী বাইদেউ, আধাতে আমাক এৰি তেঁও বেলেগ এখন স্কুললৈ গ'ল। তেঁওৰ ক্লাচটো কেতিয়া শেষ হৈছিল গমেই নাপাইছিলো। বাকীবোৰ ক্লাচতকৈ এই ষষ্ঠ ষাণ্মাসিকৰ ক্লাচ কেইটা

কৰি মোৰ বেছি ভাল লাগিল।

লক্ষ্যজিৎ ছাৰ অৰ্থাৎ নতুন ছাৰ। খঙালকৈ থাকে যদিও মাজে সময়ে ধেমালি কৰি থাকে। মোক যে জোকাইয়ে থাকে ঘৰলৈ মিঠাই ল'বলৈ উৎপাত লগাই থকা কথাটোৰ বাবে। ক্লাচটোত সদায় এটা ভয়ত থাকো কিবা এটা সুধিলেই নোৱাৰিম বুলি।

বাকী মোৰ অনুজসকল সকলোৱে কৰবী বাই বুলিয়ে মাতে য'ত লগ পালেও। দুজনীমানক আকৌ মই ডাঙৰ বুলি আমুকটো কাম কৰা বুলি ক'লে ওলোটাই নকৰো বুলি 'নকয়' সেইবাবে সিহঁত মোৰ বাবে বেছি প্ৰিয়।

চকীদাৰ বৰদেউতা দুজনৰ লগত সদায় এবাৰ হ'লেও চুপতি মাৰিছিলো। বৰ্তমান তেওঁলোক এ[illegible]ৰীত নাই । দুলীয়াজান মহাবিদ্যালয়ে আমাক বহুতো নজনা কথাৰ জ্ঞান দিলে, একোটাকৈ বিভাগ দিলে। এই মহাবিদ্যালয়ে আমাক একোটা পৰিয়াল দিলে। আমাৰ এই পৰিয়ালটোৰ মাজত থকা মৰম স্নেহ যেন এনেকৈয়ে বৰ্তী থাকক।

**স্পন্দিত সময়**







# আলোকিত স্মৃতি

**সৰিতা দে, ষষ্ঠ ষাণ্মাসিক**

দুলীয়াজান মহাবিদ্যালয়।

এই মহাবিদ্যালয়খনত মোৰ অনুভৱ বুলি ক'লে সেই অনুভৱ আৰু স্মৃতিবোৰ লিখি শেষ কৰিব নোৱাৰি। এইখন মোৰ কেৱল মহাবিদ্যালয়েই নহয় মোৰ দ্বিতীয় আপোন ঘৰখন। এই মহাবিদ্যালয়খনলৈ মই ২০২০ চনতে আহিছিলোঁ আৰু ২০২৩ বৰ্ষটোৱেই মোৰ এই মহাবিদ্যালয়ত শেষ পৰ্ব। মই এই মহাবিদ্যালয়ৰ পৰা গুচি গ'লেও এই তিনি বছৰৰ স্মৃতি সদায় মোৰ হৃদয়ত জীয়াই থাকিব। এই মহাবিদ্যালয়ত কটোৱা প্ৰতিটো মুহূৰ্ত মোৰ চিৰস্মৰণীয়।

প্ৰথম মই এই মহাবিদ্যালয়লৈ আহোঁতে আন ল'ৰা-ছোৱালীৰ দৰে মোৰো বৰ ভয়লগা ভাৱ এটা হৈছিল। এটা নতুন পৰিৱেশ, নতুন ছাৰ-বাইদেউ, নতুন সহপাঠী সকলোৰে লগত সহজে প্ৰথমে চিনাকি হ'ব পৰা নাছিলোঁ। কিন্তু লাহে লাহে ছাৰ-বাইদেউৰ পৰা পিতৃ-মাতৃৰ দৰে মৰম পাই আৰু সহপাঠীসকলৰ লগত চিনাকি হৈ সহজে আপোন হৈ গৈছিলো। লাহে লাহে এই মহাবিদ্যালয়খনৰ লগত এটা সমন্ধ গঢ়লৈ উঠিছিল। এই মহাবিদ্যালয়খনৰ ছাৰ-বাইদেউসকল বৰ মৰমীয়াল। তেওঁলোকে আমাৰ সকলো দিশতে সহায় কৰে। শিক্ষাৰ লগতে আন দিশবোৰোটো ভাগ ল'বলৈ পৰামৰ্শ দিয়ে। তেওঁলোকে সকলো ছাত্ৰ ছাত্ৰীকে নিজৰ সন্তানৰ দৰে মৰম কৰি পাঠদান কৰে। অকণো কৃপণালী নকৰাকৈ ছাৰ-বাইদেউসকলে আমাক পাঠদান কৰিছিল। মই নজনাকৈয়ে এই তিনি বছৰ কেতিয়ানো পাৰ হৈ গ'ল গমকে নাপালোঁ। এই মহাবিদ্যালয়ৰ পৰিৱেশটো এটা ঘৰুৱা পৰিৱেশৰ দৰে সকলোৱে এজনে আনজনৰ আপোন। ছাৰ-বাইদেউৰ শাসনৰ মাজতো তেওঁলোকৰ মৰম দেখা পোৱা গৈছিল। এই মহাবিদ্যালয়ত পঢ়িবলৈ পাই মই নিজকে ভাগ্যৱান বুলি ভাবিছোঁ। শেষত মই কৰা ভুলসমূহৰ বাবে আৰু যদি কিবা কথাত ছাৰ-বাইদেউৰে অন্তৰত আঘাত পাইছে তাৰ বাবে ক্ষমা বিচাৰিছোঁ। ছাৰ-বাইদেউৱে যেন মোক নিজৰ সন্তান বুলি ক্ষমা কৰি দিয়ে।

# মোৰ অভিজ্ঞতাৰ কিছু কথা

**দিপশিখা ৰাজকোঁৱৰ, দ্বিতীয় ষাণ্মাসিক**

জীৱনত শিক্ষাৰ ক্ষেত্ৰত সফল হ'বলৈ হ'লে আমি এখন বিদ্যালয়ৰ পৰা এখন মহাবিদ্যালয়, তাৰপিছত এখন বিশ্ববিদ্যালয়, তেনেকৈ শৈক্ষিক অনুষ্ঠানলৈ জ্ঞানৰ সফুৰা বুটলিবলৈ যাঁও। সকলোতে কিছুমান তিতা আৰু মিঠা অভিজ্ঞতা পাওঁ। সৌ সিদিনা যেতিয়া হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষা সমাপ্ত কৰি দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী হৈ আহিছিলো তেতিয়া শিক্ষাগুৰুসকলৰ সৈতে আপোনালোককো লগ পাইছিলোঁ। সকলোৰে লগত চিনাকি নহ'লেও যিকেইজনৰ লগত চিনাকি হৈছিলোঁ বহুত ভাল লাগিছিল। কাৰণ আগতে এনেকৈ কোনেও আমাক আদৰণি জনোৱা নাছিল। প্ৰথম অৱস্থাত মনত ভয় জাগিছিল। আচলতে বুজি পোৱা নাছিলোঁ কলেজীয়া শিক্ষা কেনেকুৱা। কিন্তু লাহে লাহে সকলো সহজ হৈ পৰিছিল। আপোনালোকক বেছি দিন নাপালেও আপোনালোক মোৰ প্ৰিয় হৈ পৰিলা। নজনা বহুত কথাই শিকিলোঁ আপোনালোকৰপৰা। শিক্ষাগুৰুসকলে যেনেকৈ বিভাগৰ প্ৰতি দায়িত্ববোধ শিকাই তোমালোকেও আমাক শিকাইছিলা। বিভাগৰ বাবে কেনেকৈ মিলিজুলি কাম কৰে সেয়াও শিকিলোঁ আপোনালোকৰপৰা। কেনেকৈ বিভাগৰ সকলোবোৰ এক হৈ কাম কৰি সফল হ'ব পাৰি, কেনেকৈ বিভাগৰ সু-নাম আনিব পাৰি, কেনেকৈ বিভাগক ভাল পাব পাৰি,নিজৰ পৰিয়ালৰ দৰে ভাবি বিভাগৰ কাম কৰিব লাগে,সেই আটাইবোৰ অভিজ্ঞতা আপোনালোকৰ পৰা শিকিলোঁ। এটা কথা কি জানা আপোনালোকৰ যি মিলাপ্ৰীতি সেয়া দেখি সঁচাকৈ অভিভূত হওঁ।

চাওঁতে চাওঁতে আপোনালোকৰ বিদায়ৰ সময় আহি পালেহি। বিদায় মানেই বিষাদ, যন্ত্ৰণাৰ কৰুণ সময় বিদায়ৰ মুহূৰ্তবোৰ। কেইদিনমানৰ পিছত আপোনালোক এইখন মহাবিদ্যালয়ৰ পৰা যাবগৈ। বহুত মনত পৰিব আপোনালোকলৈ। আপোনালোকে কৰা সহায়, মৰম, এইবোৰ কেতিয়াও পাহৰিব নোৱাৰোঁ। আপোনালোকে মহাবিদ্যালয়ৰ পৰা গুছি গ'লেও আমাৰ হৃদয়ত সদায়েই থাকিবা মৰমৰ দাদা আৰু বা হৈ। কেতিয়াবা যদি আপোনালোকক অজানিতে কিবা বেয়াকৈ কৈছিলো বা ভুল কৰিছিলোঁ নিজৰ ভণ্টিৰ দৰে ভাবি ক্ষমা কৰি দিবা। অনাগত দিনটো আপোনালোকৰ সহায় বিচাৰিম। আপোনালোকৰ পৰা শিকিবলগীয়া হয়তো বহুত থাকি গ'ল।

জীৱনত সদায় সফলতাৰে আগুৱাই যোৱা। আপোনালোকৰ সপোনবোৰ পূৰ হওক সোণালী ৰঙেৰে ৰঙীন হৈ। আমাক কেতিয়াও পাহৰি নাযাবা।



# বিদায় সম্ভাষণ জ্ঞাপন কৰা বিভাগৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ

# স্থায়ী ঠিকনা

| | |
|---|---|
| নাম | ঃ যোচেপ চাংগা |
| পিতৃ | ঃ চামুৱেল হেমৰম |
| মাতৃ | ঃ জুলি হেমৰম |
| গাওঁ | ঃ ১ নং বৰডুবি গাঁও |
| ডাকঘৰ | ঃ আনন্দপাৰা |
| পিন নং | ঃ ৭৮৬৬৯২ |
| থানা | ঃ দুলীয়াজান |
| জিলা | ঃ ডিব্ৰুগড় |
| হোৱাট্‌চএপ নম্বৰ | ঃ ৬৯০১৩৫৫৮৬৫ |
| ই-মেইল | ঃ josephsanga@gmail.com |





নাম ঃ কৰবী ডেকা
পিতৃ ঃ গজেন ডেকা
মাতৃ ঃ জ্যোতি ডেকা
গাওঁ ঃ ২ নং মহমাৰী গাওঁ
ডাকঘৰ ঃ কঠালগুৰি
পিন নং ঃ ৭৮৬৬০২
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ৯৬৭৮০৫১৭১৯
ই-মেইল ঃ deka6018@gmail.com



নাম ঃ বিশ্বজিৎ দত্ত
পিতৃ ঃ মণিৰাম দত্ত
মাতৃ ঃ ৰুণু দত্ত
গাওঁ ঃ টিপলিং বৰাগাধৈ গাওঁ
ডাকঘৰ ঃ জালনি ডিব্ৰুদুৱাৰ
পিন নং ঃ ৭৮৬৬০২
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ৬০০৩৪৬১২২৩
ই-মেইল ঃduttabiswajit221@gmail.com





নাম ঃ নিহাৰিকা গগৈ
পিতৃ ঃ পুলিন গগৈ
মাতৃ ঃ কল্পনা গগৈ
গাওঁ ঃ ফেকেলাজান গাওঁ
ডাকঘৰ ঃ ভাদৈ পাঁচ আলি
পিন নং ঃ ৭৮৬১৯১
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৯৩৯৪৭৯০৯০৯
ই-মেইল ঃ ng885281@gmail.com



নাম ঃ সুৰভী গগৈ
পিতৃ ঃ গুণকান্ত গগৈ
মাতৃ ঃ ৰাণু গগৈ
গাওঁ ঃ ১ নং ছলাকটকী
ডাকঘৰ ঃ কঠালগুৰি
পিন নং ঃ ৭৮৬৬০২
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৯৮৬৪৮৯৮৪০৮
ই-মেইল ঃ gogoisurabhi922@gmail.com




| | |
|---|---|
| নাম | ঃ চেতনা গগৈ |
| পিতৃ | ঃ যুগল গগৈ |
| মাতৃ | ঃ জীৱন্তী গগৈ |
| গাওঁ | ঃ ১ নং ছলাকটকী |
| ডাকঘৰ | ঃ কঁঠালগুৰি |
| পিন নং | ঃ ৭৮৬৬০২ |
| থানা | ঃ দুলীয়াজান |
| জিলা | ঃ ডিব্ৰুগড় |
| হোৱাট্‌চএপ নম্বৰ | ঃ ৯৭০৭১৬৪৭০৩ |
| ই-মেইল | ঃ chatanagogoi@gmail.com |



| | |
|---|---|
| নাম | ঃ চয়নিকা কুৰ্মী |
| পিতৃ | ঃ নিৰঞ্জন কুৰ্মী |
| মাতৃ | ঃ তিলকী কুৰ্মী |
| গাওঁ | ঃ ১ নং চিৰিংখাত গাঁও |
| ডাকঘৰ | ঃ কছাৰী পথাৰ |
| পিন নং | ঃ ৭৮৬৬০২ |
| থানা | ঃ দুলীয়াজান |
| জিলা | ঃ ডিব্ৰুগড় |
| হোৱাট্‌চএপ নম্বৰ | ঃ ৮৮২২১৪৭০৯৮ |
| ই-মেইল | ঃ chayakurmi9@gmail.com |





| | |
|---|---|
| নাম | ঃ ৰশ্নি খাতুন |
| পিতৃ | ঃ চমচুদ্দিন আনচাৰী |
| মাতৃ | ঃ অচিমা বেগম |
| গাওঁ | ঃ জালিয়াবস্তি |
| ডাকঘৰ | ঃ নাওহলীয়া |
| পিন নং | ঃ ৭৮৬১৯১ |
| থানা | ঃ দুলীয়াজান |
| জিলা | ঃ ডিব্ৰুগড় |
| হোৱাট্‌চএপ নম্বৰ | ঃ ৭৮৯৬৮২৩৯৭২ |
| ই-মেইল | ঃ khatunroshni44963@gmail.com |



| | |
|---|---|
| নাম | ঃ সবিতা দে |
| পিতৃ | ঃ অৰূপ দে |
| মাতৃ | ঃ স্বৰ্গীয়া বীণা দে |
| গাওঁ | ঃ ২ নং নাগাবাট |
| ডাকঘৰ | ঃ পিঠাগুটি |
| পিন নং | ঃ ৭৮৬৬১১ |
| থানা | ঃ ম'হখোৱা |
| জিলা | ঃ ডিব্ৰুগড় |
| হোৱাট্‌চএপ নম্বৰ | ঃ ৬০০৩৮৯৯৬৭২ |
| ই-মেইল | ঃ sabitadey732@Gmail.com |



নাম : লিনা গগৈ
পিতৃ : হেমন্ত গগৈ
মাতৃ : খগেশ্বৰী গগৈ
গাওঁ : ২ নং শুকানী গাঁও
ডাকঘৰ : চাচনী
পিন নং : ৭৮৬৬১০
থানা : নাহৰকটীয়া
জিলা : ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ : ৭৬৩৭০৯৭০৯৭
ই-মেইল : linag6039@gmail.com



নাম : সাগৰিকা চাৰিঙীয়া ফুকন
পিতৃ : দীনেশ চাৰিঙীয়া ফুকন
মাতৃ : মমী চাৰিঙীয়া ফুকন
গাওঁ : কুঁৱৰীজান
ডাকঘৰ : দিহিংকিনাৰ
পিন নং : ৭৮৬৬১০
থানা : নাহৰকটীয়া
জিলা : ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ : ৬০০১৯১০১৪০
ই-মেইল : sagarikacharingiaphukan@gmail.com





নাম : দানিয়েল ওৰাং
পিতৃ : যোচেফ ওৰাং
মাতৃ : জাচিন্তা ওৰাং
গাওঁ : নতুন ডিৰিয়াল চাহ বাগিচা
ডাকঘৰ : হুগ্ৰীজান
পিন নং : ৭৮৬৬০১
থানা : দুলীয়াজান
জিলা : ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ : ৬০০০৭৬০৪৩২
ই-মেইল : danialurang6628@gmail.com



নাম : স্বৰ্ণালী সোনোৱাল
পিতৃ : তপন সোনোৱাল
মাতৃ : জয়া সোনোৱাল
গাওঁ : ২ নং টিংৰাই হোলা
ডাকঘৰ : ভেকোলাজান
পিন নং : ৭৮৬১০৩
থানা : টেঙাখাট
জিলা : ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ : ৮০১১৯১২৬৩১
ই-মেইল : swarnalisonowal30@Gmail.com

| | | |
|---|---|---|
| নাম | ঃ আশিক মুণ্ডা |  |
| পিতৃ | ঃ মঙ্গল মুণ্ডা | |
| মাতৃ | ঃ চুকুৰমনি মুণ্ডা | |
| গাওঁ | ঃ নতুন ডিৰিয়াল চাহ বাগিছা | |
| ডাকঘৰ | ঃ হুগ্ৰীজান | |
| পিন নং | ঃ ৭৮৬৬০১ | |
| থানা | ঃ দুলীয়াজান | |
| জিলা | ঃ ডিব্রুগড় | |
| হোৱাট্‌ছএপ নম্বৰ | ঃ ৯৭০৭২২২৬০৬ | |
| ই-মেইল | ঃ ashikmunda646@gmail.com | |

| | | |
|---|---|---|
| নাম | ঃ জিণ্টু গোৱালা |  |
| পিতৃ | ঃ কৃষ্ণ গোৱালা | |
| মাতৃ | ঃ ৰেখা গোৱালা | |
| গাওঁ | ঃ ১ নং গুলিমৰা গাঁও | |
| ডাকঘৰ | ঃ হুগ্ৰীজান | |
| পিন নং | ঃ ৭৮৬৬০১ | |
| থানা | ঃ দুলীয়াজান | |
| জিলা | ঃ ডিব্রুগড় | |
| হোৱাট্‌ছএপ নম্বৰ | ঃ ৯৭০৭৩২৩২৯৬ | |
| ই-মেইল | ঃ jgowala148@gmail.com | |



| | | |
|---|---|---|
| নাম | ঃ তৃষ্ণা শইকীয়া |  |
| পিতৃ | ঃ গুনাভী শইকীয়া | |
| মাতৃ | ঃ লক্ষীমা শইকীয়া | |
| গাওঁ | ঃ ১ নং চিৰিংখাট গাওঁ | |
| ডাকঘৰ | ঃ কছাৰীপথাৰ | |
| পিন নং | ঃ ৭৮৬৬০২ | |
| থানা | ঃ দুলীয়াজান | |
| জিলা | ঃ ডিব্রুগড় | |
| হোৱাট্‌ছএপ নম্বৰ | ঃ ৭০৯৯৩৪৮৩২৩ | |
| ই-মেইল | ঃ ttrishnasaikia@gmail.com | |

| | | |
|---|---|---|
| নাম | ঃ ৰাজীৱ মজুমদাৰ |  |
| পিতৃ | ঃ বিষ্ণু মজুমদাৰ | |
| মাতৃ | ঃ লক্ষী মজুমদাৰ | |
| গাওঁ | ঃ ২ নং মহমাৰী গাওঁ | |
| ডাকঘৰ | ঃ কঠালগুৰি | |
| পিন নং | ঃ ৭৮৬৬০২ | |
| থানা | ঃ দুলীয়াজান | |
| জিলা | ঃ ডিব্রুগড় | |
| হোৱাট্‌ছএপ নম্বৰ | ঃ ৬০০২৮৯৩৫৮৬ | |
| ই-মেইল | ঃ rajiblx493@gmail.com | |



নাম ঃ অনুৰাগ গগৈ
পিতৃ ঃ নবীন গগৈ
মাতৃ ঃ কমলা গগৈ
গাওঁ ঃ চামগুৰি গাঁও
ডাকঘৰ ঃ মঠাৰনী
পিন নং ঃ ৭৮৬৬১০
থানা ঃ নাহৰকটীয়া
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৭৬৩৭৮০৯৭০০
ই-মেইল ঃ anuraggogoi2003@gmail.com



নাম ঃ ডেইজী সোনোৱাল
পিতৃ ঃ বিৰাজ সোনোৱাল
মাতৃ ঃ জাহ্নবী সোনোৱাল
গাওঁ ঃ দিচাং
ডাকঘৰ ঃ দিচাং
পিন নং ঃ ৭৮৬৬১০
থানা ঃ টিংখাং
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৬০০২২৭৭২৯৫
ই-মেইল ঃ daisysonowal126@gmail.com





নাম ঃ ৰীতামণি শইকীয়া
পিতৃ ঃ ডিম্বেশ্বৰ শইকীয়া
মাতৃ ঃ জোনেমাই শইকীয়া
গাওঁ ঃ বৰবালি গাঁও
ডাকঘৰ ঃ টিংৰাই চাৰিআলি
পিন নং ঃ ৭৮৬৬০২
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৯৭০৭৬৬৪০৭৫
ই-মেইল ঃ ritamonisaikiasaikia@gmail.com



নাম ঃ ৰূপালী খাৰিয়া
পিতৃ ঃ ৰাজেন খাৰিয়া
মাতৃ ঃ মামনি খাৰিয়া
গাওঁ ঃ বালিজান
ডাকঘৰ ঃ বালিজান
পিন নং ঃ ৭৮৬৬০২
থানা ঃ দুলীয়াজান
জিলা ঃ ডিব্ৰুগড়
হোৱাট্‌চএপ নম্বৰ ঃ ৯১০১৬৬৭৪১২
ই-মেইল ঃ khariarupali9@gmail.com

# সোণালী স্মৃতি







